# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 30-08-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জাপানৰ প্ৰধানমন্ত্ৰী চিগেৰু ইশ্বিবাই দুয়োখন দেশৰ মাজৰ কৌশলগত অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সহযোগিতা সুদৃঢ় কৰাৰ লক্ষ্যৰে দশকজোৰা ব্যাপক ৰূপৰেখা মুকলি কৰে।

২। কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে খনিজ মন্ত্ৰ্যালয় আৰু জাপানৰ অৰ্থনীতি, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰ্যালয়ৰ মাজত খনিজ সম্পদক লৈ স্বাক্ষৰিত সহযোগিতাৰ চুক্তিৰ প্ৰশংসা কৰিছে।

৩। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন অহা ডিচেম্বৰত ভাৰতলৈ আহিব বুলি ক্ৰেমলিনৰ বৈদেশিক নীতিৰ শীৰ্ষ বিষয়া য়ুৰি উশ্বাক'ভে প্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় বিদ্যালয়সমূহৰ শিক্ষাৰ্থীৰ মাজত অনুষ্ঠিত ৰাষ্ট্ৰীয় যুৱ সংসদ প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ কালি বিতৰণ কৰা হয়। ***আৰু***

৫। চীনৰ চিনজিয়াঙত অনুষ্ঠিত তৃতীয় বেল্ট এণ্ড ৰোড আন্তঃৰাষ্ট্ৰীয় যুৱ বক্সিং গালাত ভাৰতৰ জুনিয়ৰ বক্সাৰসকলে ৭টা সোণ, ৭টা ৰূপ আৰু ১২টা ব্ৰঞ্জৰ পদকসহ মুঠ ২৬টা পদক লাভ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জাপানৰ প্ৰধানমন্ত্ৰী চিগেৰু ইশ্বিবাই দুয়োখন দেশৰ মাজৰ কৌশলগত অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সহযোগিতা সুদৃঢ় কৰাৰ লক্ষ্যৰে দশকজোৰা ব্যাপক ৰূপৰেখা মুকলি কৰে। টকিঅ'ত অনুষ্ঠিত পঞ্চদশ ভাৰত-জাপান বাৰ্ষিক সন্মিলনৰ পাছত দুয়োগৰাকী নেতাই এই কথা ঘোষণা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে এই সন্মিলনত প্ৰধানমন্ত্ৰী ইশ্বিবা আৰু তেওঁ দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰাৰ উপৰি ভাৰত-জাপান বিশেষ কৌশলগত আৰু গোলকীয় অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ বাবে সন্মত হয়। সন্মিলনৰ পাছত এখন যুটীয়া সংবাদমেলত শ্ৰীমোদীয়ে উল্লেখ কৰে যে দুয়োখন দেশে পৰৱৰ্তী দশকৰ বাবে এটা ৰূপৰেখা প্ৰস্তুত কৰিছে, য'ত বিনিয়োগ, উদ্ভাৱন, পৰিৱেশ, প্ৰযুক্তি, স্বাস্থ্য, জনসাধাৰণৰ মাজৰ সম্পৰ্কৰ দৰে খণ্ডসমূহত গুৰুত্ব দিয়া হ'ব। শ্ৰীমোদীয়ে কয়, যে অহা ১০ বছৰত জাপানৰ পৰা ভাৰতত ১০ ট্ৰিলিয়ন য়েন বিনিয়োগ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। দুয়োখন দেশে কৃত্ৰিম বুদ্ধিমত্তা, ছেমি কণ্ডাক্টৰ, পৰিৱেশ আৰু স্বাস্থ্য সেৱাত সহযোগিতাৰ জৰিয়তে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগত তথা ষ্টাৰ্টআপসমূহ সংযোজিত কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিব বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে দুয়োখন দেশৰ মাজৰ মানৱ সম্পদ বিনিময় আৰু সহযোগিতাৰ বাবে এখন অভিলাষী কাৰ্যকৰী আঁচনি ঘোষণা কৰে। দুয়োখন দেশে প্ৰতিৰক্ষা উদ্যোগ আৰু উদ্ভাৱন খণ্ডত পাৰস্পৰিক সহযোগিতা শক্তিশালী কৰাৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে মুক্ত, শান্তিপূৰ্ণ, সমৃদ্ধিশালী আৰু নিয়ম আধাৰিত ভাৰত-প্ৰশান্তমহাসাগৰীয় খণ্ডত ভাৰত আৰু জাপানৰ প্ৰতিশ্ৰুতিবদ্ধতা

নিশ্চিত কৰে। তেওঁ কয়, যে দুয়োখন দেশ প্ৰতিৰক্ষা আৰু সামুদ্ৰিক নিৰাপত্তাৰ লগতে সন্ত্ৰাসবাদ আৰু সুৰক্ষা ব্যৱস্থাক লৈ সমানেই চিন্তিত। শ্ৰীমোদীয়ে লুনাৰ প'লাৰ এক্সপ্লৰেচন চমুকৈ- লুপেক্স কাৰ্যসূচীৰ অধীনত চন্দ্ৰযান-৫ অভিযানৰ বাবে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা আৰু জাপান মহাকাশ অন্বেষণ সংস্থাৰ মাজৰ চুক্তিক আদৰণি জনায়।

অনুষ্ঠানত ভাষণ দি জাপানৰ প্ৰধানমন্ত্ৰী ইশ্বিবাই ভাৰতৰ পৰিৱৰ্তনশীল গোলকীয় প্ৰভাৱৰ প্ৰশংসা কৰে আৰু দক্ষতাসম্পন্ন ভাৰতীয় প্ৰতিভাসমূহক জাপানৰ অৰ্থনৈতিক ব্যৱস্থাৰ সৈতে চামিল হ'বলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী মোদীৰ ভ্ৰমণ সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা সচিব বিক্ৰম মিশ্ৰীয়ে সংবাদ মাধ্যমৰ আগত কয়, যে দুয়োগৰাকী প্ৰধানমন্ত্ৰীৰ মাজত প্ৰতিনিধি পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয় আৰু কেইবাখনো চুক্তিৰ বিনিময় হয়। দুয়োখন দেশে নিৰাপত্তা সহযোগিতা সন্দৰ্ভত যুটীয়া ঘোষণা পত্ৰ গ্ৰহণৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰে। দুয়োখন দেশে লগতে পাঁচটা গুৰুত্বপূৰ্ণ খণ্ডত অগ্ৰাধিকাৰ দি অৰ্থনৈতিক সুৰক্ষা ব্যৱস্থা মুকলি কৰে। এই খণ্ডকেইটা হৈছে- ছেমি কণ্ডাক্টৰ, গুৰুত্বপূৰ্ণ খনিজ, ভেষজ, তথ্য আৰু যোগাযোগ প্ৰযুক্তি আৰু নিকা শক্তি। প্ৰধানমন্ত্ৰী দুয়োগৰাকীয়ে জাপান-ভাৰত কৃত্ৰিম বুদ্ধিমত্তা পদক্ষেপো মুকলি কৰে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদী কালি পুৰা দুদিনীয়া ভ্ৰমণসূচীৰে জাপানত উপস্থিত হয়। জাপান ভ্ৰমণ সামৰি তেওঁ টিয়ানজিনত হ'বলগীয়া ছাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত অংশগ্ৰহণৰ বাবে চীনলৈ যাব।

ooooo

কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে খনিজ মন্ত্ৰ্যালয় আৰু জাপানৰ অৰ্থনীতি, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰ্যালয়ৰ মাজত খনিজ সম্পদক লৈ স্বাক্ষৰিত সহযোগিতাৰ চুক্তিৰ প্ৰশংসা কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীৰেড্ডীয়ে কয়, যে এই চুক্তিখন গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থৰ যোগান শৃংখলাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰচেষ্টাৰ সৈতে সামঞ্জস্য ৰাখি স্বাক্ষৰ কৰা হৈছে। শক্তি সুৰক্ষা, ৰাষ্ট্ৰীয় সুৰক্ষা আৰু ২০৭০ চনৰ ভিতৰত শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰ এয়া অতি গুৰুত্বপূৰ্ণ বুলি শ্ৰীৰেড্ডীয়ে প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই চুক্তিৰ অংশ হিচাপে দুয়োখন দেশে খনিজ সম্পদ আৰু নীতিৰ বিভিন্ন তথ্যৰ আদান-প্ৰদান কৰিব। ইয়াৰ জৰিয়তে ভাৰত আৰু সম্পদত চহকী দেশসমূহত খনিজ সম্পদৰ অন্বেষণ, খনন আৰু গুৰুত্বপূৰ্ণ খনিজাত পদাৰ্থৰ সংসাধনৰ ক্ষেত্ৰত যুটীয়া বিনিয়োগৰ প্ৰসাৰ হ'ব বুলি তেওঁ লগতে উল্লেখ কৰে।

ooooo

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন অহা ডিচেম্বৰত ভাৰতলৈ আহিব বুলি ক্ৰেমলিনৰ বৈদেশিক নীতিৰ শীৰ্ষ বিষয়া য়ুৰি উশ্বাক'ভে প্ৰকাশ কৰিছে। তেওঁ কয়, যে ৰাষ্ট্ৰপতি পুটিনে অহা সোমবাৰে চীনৰ টিয়ানজিনত হ'বলগীয়া ছাংহাই সহযোগিতা সংস্থাৰ সন্মিলনৰ সুযোগতে এই সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বৈঠকত মিলিত হ'ব। দুয়োগৰাকী নেতা ফোনযোগে নিয়মীয়াকৈ যোগাযোগত থাকে যদিও এই বছৰ প্ৰথমবাৰৰ বাবে তেওঁলোক বৈঠকত মিলিত হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে বিগত বৰ্ষত ৰাষ্ট্ৰপতি পুটিনৰ সৈতে বাৰ্ষিক সন্মিলনত ভাগ লোৱাৰ বাবে আৰু কাজানত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ বাবে দুবাৰকৈ ৰাছিয়া ভ্ৰমণ কৰিছিল। ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকী বাৰ্ষিক সন্মিলনৰ বাবে এইবাৰ ভাৰতলৈ আহিব। উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ৰাছিয়াৰ পৰা ভাৰতে

খনিজ তেল ক্রয় কৰাত ২৫ শতাংশ অতিৰিক্ত শুল্কক ধৰি ভাৰতীয় সামগ্ৰীৰ ওপৰত শুল্ক কৰ দুগুণ বৃদ্ধি কৰি ৫০ শতাংশ কৰে।

০০০০০

কেন্দ্ৰীয় বিদ্যালয়সমূহৰ শিক্ষাৰ্থীৰ মাজত অনুষ্ঠিত ২০২৪-২৫ বৰ্ষৰ ৩৫ সংখ্যক ৰাষ্ট্ৰীয় যুৱ প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰন কাৰ্যসূচী কালি নতুন দিল্লীৰ সংসদ ভৱন চৌহদত অনুষ্ঠিত হয়। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি বি জে পিৰ সাংসদ বাঞ্চুৰী স্বৰাজে সংসদীয় পদ্ধতি সুন্দৰকৈ প্ৰদৰ্শন কৰা বাবে শিক্ষাৰ্থীসকলক অভিনন্দন জনায়। সাংসদ শ্ৰীমতী স্বৰাজে কয়, যে এই শিক্ষাৰ্থীসকল কেৱল দেশৰ ভৱিষ্যতেই নহয়, তেওঁলোক ভৱিষ্যতৰ নেতাও। সাংসদগৰাকীয়ে শিক্ষাৰ্থীসকলক পৰিৱেশ সুৰক্ষাৰ অৰ্থে স্বাস্থ্যসন্মত জীৱন যাপনৰ বাবেও উৎসাহিত কৰে।

এই বৰ্ষত দেশৰ মুঠ ২৫ টা অঞ্চলৰ ১৭৫ খন কেন্দ্ৰীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ মাজত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। আঞ্চলিক প্ৰতিযোগীসকলে মাণ্ডলিক আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ প্ৰতিযোগিতাত প্ৰতিদ্বন্দিতা কৰিছিল। এই প্ৰতিযোগিতাত অসমৰ শিলচৰৰ অ' এন ছি চি শ্ৰীকোণাৰ কেন্দ্ৰীয় বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে প্ৰথম বিজয়ীৰ সন্মান লাভ কৰি চৰ্দাৰ বল্লভভাই পেটেল চলন্ত সংসদীয় শ্বীল্ড আৰু ৰাষ্ট্ৰীয় ট্ৰফী লাভ কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি অসম ৰাজভৱনৰ ব্ৰহ্মপুত্ৰ শাখা উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে ভৱিষ্যতৰ অসমৰ সৈতে সংগতি ৰাখি এই ভৱনটো নিৰ্মাণ কৰা হৈছে। শ্ৰীশ্বাহে ব্ৰহ্মপুত্ৰৰ পাৰত মনোমোহা পৰিৱেশৰ মাজত নতুনকৈ নিৰ্মাণ কৰা ৰাজভৱনৰ বাবে অসম চৰকাৰৰ ভূয়সী প্ৰশংসা কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কালি এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত দেশৰ দ্বিতীয়টো ৰাষ্ট্ৰীয় চাইবাৰ ফৰেণচিক গৱেষণাগাৰ উদ্বোধন কৰে। তেওঁ কয়, যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আগ্ৰহ মৰ্মে দেশৰ দ্বিতীয়টো ফৰেণচিক গৱেষণাগাৰ অসমত স্থাপন হোৱাটো অতি গৌৰৱৰ বিষয়।

ইয়াৰ পাছতে শ্ৰী শ্বাহে খানাপাৰাত প্ৰথম পঞ্চায়ত প্ৰতিনিধি সন্মিলনত ভাগ লয়। শ্ৰী শ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উন্নয়নমূলক কামকাজৰ প্ৰবাহ অসমৰ প্ৰান্তে প্ৰান্তে বিয়পাই দিয়া মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ শলাগ লয়। তেওঁ এই উন্নয়নৰ ধাৰাবাহিকতা অটুট ৰখাৰ বাবে সকলো পঞ্চায়ত প্ৰতিনিধিকে নিষ্ঠাৰে জনকল্যাণ সাধনৰ প্ৰয়াস অব্যাহত ৰাখিবলৈ আহ্বান জনায়। শ্ৰীশ্বাহে এই সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰে।

০০০০০

চীনৰ চিনজিয়াঙত অনুষ্ঠিত ১৭, ১৯ আৰু ২৩ বছৰ অনূৰ্ধ তৃতীয় বেল্ট এণ্ড ৰোড আন্তঃৰাষ্ট্ৰীয় যুৱ বক্সিং গালাত ভাৰতৰ জুনিয়ৰ বক্সাৰসকলে ৭টা সোণ, ৭টা ৰূপ আৰু ১২টা ব্ৰঞ্জৰ পদকসহ মুঠ ২৬টা পদক লাভ কৰিছে। ছোৱালীৰ দলে ফাইনেলত ৫টা সোণ, ৫টা ৰূপ আৰু ৬টা ব্ৰঞ্জৰ পদক লাভ কৰিছে। একেদৰে ল'ৰাৰ দলে দুটা সোণ, দুটা ৰূপ আৰু ৬টা ব্ৰঞ্জৰ পদক লাভ কৰিছে।

০০০০০

সমাপ্ত